# Telephonic conversation between Prime Minister and Prime Minister of Portugal

May 05, 2020

---

# প্ৰধানমন্ত্ৰীৰ পৰ্তুগালৰ প্ৰধানমন্ত্ৰীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ

মে 05, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি পৰ্তুগালৰ প্ৰধানমন্ত্ৰী মহামান্য এন্টনিঅ কষ্টাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰীয়ে পৰ্তুগালৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী মাৰ্চেলো ৰেবেলো ডি ছুজাই ফেব্ৰুৱাৰী মাহত কৰা ভাৰত ভ্ৰমণৰ প্ৰসংগটো উল্লেখ কৰে।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ বিষয়ে আলোচনা কৰে আৰু স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰভাৱক নিয়ন্ত্ৰণ কৰিবৰ বাবে দুয়োখন দেশে পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী কষ্টাই যিধৰণে এই সংকটৰ মোকাবিলা কৰিছে তাক লৈ প্ৰধানমন্ত্ৰীয়ে তেখেতক প্ৰশংসা কৰে।

এই ভাইৰাছবিধৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ সক্ৰিয় ৰাষ্ট্ৰীয় পদক্ষেপৰ প্ৰয়োজনীয়তাৰ বিষয়ে দুয়োগৰাকী নেতাই আলোকপাত কৰে। এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ আৰু ক'ভিড-19ৰ বিষয়ে গৱেষণা আৰু উদ্ভাৱনাৰ ক্ষেত্ৰত দুয়োখন দেশে ইজনে সিজনক সহযোগিতা আগবঢ়াব বুলি সহমত পোষণ কৰে।

লকডাউনৰ পৰিপ্ৰেক্ষিতত পৰ্তুগালৰ পৰা ভাৰতলৈ উভতিব নোৱাৰা ভাৰতীয় নাগৰিকসকলৰ ভিছাৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে পৰ্তুগালৰ প্ৰধানমন্ত্ৰী কষ্টাক কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে পৰ্তুগালৰ নাগৰিকসকলৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপকো পৰ্তুগালৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে।

দুয়োগৰাকী নেতাই এই সংকটৰ সৈতে মোকাবিলা কৰা আৰু ক'ভিডৰ পৰৱৰ্তী পৰিস্থিতিতে পৰস্পৰে পৰস্পৰকৰ সৈতে যোগাযোগ চলাই ৰকাৰ বিষয়ে সহমত পোষণ কৰে।

**নতুন দিল্লী**
**মে' 05, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.